# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ


লক্ষাধিক টকাৰ
অইল ইণ্ডিয়া
গাড়ীৰে জুই
গুত জাহ যায়।

লয়ৰ
ন

মণ্ডিত গড়গাঁও
আজি 'বিশ্ব কৰ্কট
আলিত 'ক্লজ দ্যা
ৰ্ন কৰে। বাণিজ্য
ৰেব্বী ড° কবিতা
কলে বাটৰ নাট
জ্ঞান প্ৰদানেৰে
গাৰ্থীসকলে সুন্দৰ
ঞ্জন প্ৰদান কৰে।

অধিৱেশন

## কানৈ মহাবিদ্যালয়ত 'আইডিয়া চেণ্টাৰ' মুকলি

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ ফেব্ৰুৱাৰী ঃ 'চিন্তাৰ দৈন্যতাত ভোগা কোনো দেশ অথবা জাতি কেতিয়াও আগুৱাই যাব নোৱাৰে। চিন্তাই দেশ তথা জাতিৰ প্ৰগতিত সহায় কৰে।' ডি এইছ এছ কানৈ মহাবিদ্যালয়ত নবীন চন্দ্ৰ দত্ত সোঁৱৰণী নৱনিৰ্মিত 'আইডিয়া চেণ্টাৰ' মুকলি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তেওঁ কয়, তেনে চিন্তাৰ আধাৰতে নবীন চন্দ্ৰ দত্ত সোঁৱৰণী আইডিয়া চেণ্টাৰটো আজি ডি এইছ এছ কানৈ মহাবিদ্যালয় চৌহদত মুকলি কৰা হয়। কানৈ মহাবিদ্যালয়ত আজি মুকলি হোৱা এই আইডিয়া চেণ্টাৰে ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাৰ দৈন্যতা দূৰ কৰাত সহায় কৰিব বুলি উল্লেখ কৰি অধ্যক্ষ ড° শইকীয়াই নবীন চন্দ্ৰ দত্তৰ পৰিয়ালৰ সদস্যক এনে এটি মহান কৰ্মৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ নবীন চন্দ্ৰ দত্তৰ সোঁৱৰণত তেওঁৰ পত্নী স্বৰ্ণলতা দত্তই আগবঢ়োৱা ৪.২৫ লাখ টকা ব্যয়সাপেক্ষ নৱনিৰ্মিত আইডিয়া চেণ্টাৰটোৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি তেওঁৰ সুযোগ্য পুত্ৰ ৰাজীৱ দত্তই কয় যে— কানৈ মহাবিদ্যালয়খন 'তেওঁৰ পিতৃৰ কেৱল কৰ্মস্থলীয়েই নহয়, এই মহাবিদ্যালয়ত পৰিয়ালৰ সকলোৱে অধ্যয়ন কৰিছিল। তেওঁ লগতে কয়, প্ৰকৃতাৰ্থত কানৈ মহাবিদ্যালয়খন তেওঁলোকৰ পৰিয়ালৰ দৰে। তেওঁ পিতৃৰ নামত উৎসৰ্গিত এই আইডিয়া চেণ্টাৰটো কানৈ মহাবিদ্যালয়ত নিৰ্মাণ কৰিববলৈ পাই অতিশয় আনন্দিত হোৱাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্যই এই ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ কৰ্মচাৰী ভূৱনজ্যোতি বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত নবীন চন্দ্ৰ দত্তৰ সুযোগ্য কন্যা তথা কানৈ মহাৰিদ্যালয়ৰ একালৰ শ্ৰেষ্ঠ গায়িকা অংকিতা বৰকাকতিয়ে পিতৃক সুঁৱৰি বক্তব্য আগবঢ়োৱাৰ লগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি সুমধুৰ গীত পৰিৱেশন কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, আভ্যন্তৰিণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মা, বিশিষ্ট নাট্যকাৰ অসীম শৰ্মা, বিশিষ্ট কবি মৃদুল শৰ্মাকে ধৰি ভালেসংখ্যক ব্যক্তি, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু ইস্কুলটোৰ বহুজন ব্যক্তি উপস্থিত থাকি অনুষ্ঠানটো সফল ৰূপায়ণত সহযোগিতা কৰে।

বাসগু
অসু
এগৰা
প্ৰিয়ভ
জীৱন
লোক
সম্প
লগতে
কিনি
কৰাৱ
আজি
পোৱ
আহি
মৃত্যু
পুত্ৰ,
ভাতৃ
পৰিয়
বিয়নি
স্বজ
জান